# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 17-06-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## HEADLINES
00000

১। নীটৰ পুনৰ পৰীক্ষা সন্দৰ্ভত সকলো পক্ষ সামৰি অনুষ্ঠিত বৈঠকত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতা।

২। পৰ্যটন মন্ত্ৰী অজন্তা নেওগৰ অম্বুবাচী মেলাৰ প্ৰস্তুতিৰ পৰ্যালোচনা। ভক্তসকলৰ সুবিধা, সুৰক্ষা ব্যৱস্থা সুনিশ্চিত কৰিবলৈ বিষয়াসকললৈ নিৰ্দেশ।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকালৰ ১২ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে মহানগৰীৰ বৰাগাঁৱত বিশেষ প্ৰদৰ্শনী।

৪। সমগ্ৰ শিক্ষা অসমৰ ৰাজ্যৰ ৩৯ হাজাৰ ৪১৫ খন বিদ্যালয়লৈ প্ৰথম পৰ্যায়ত বাৰ্ষিক অনুদানৰ ১০ শতাংশ ধন মুকলি।

*আৰু*

৫। আই চি চি মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত গ্ৰুপ-এৰ নিজৰ দ্বিতীয়খন খেলত ভাৰত আৰু নেডাৰলেণ্ডছ মুখামুখি।

00000

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সমাগত নীটৰ পুনৰ পৰীক্ষা সন্দৰ্ভত সকলো পক্ষ সামৰি অনুষ্ঠিত এখন বৈঠকত আজি অধ্যক্ষতা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে এই পৰীক্ষা স্বচ্ছ আৰু নিকাভাৱে অনুষ্ঠিত হোৱাটো সুনিশ্চিত কৰাৰ উদ্দেশ্যে বিষয়াসকলক যাৱতীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। এই বৈঠকত কোনো ধৰণৰ অনীতি বা অনিয়মৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰাৰ সিদ্ধান্ত লোৱা হয়। পৰীক্ষাৰ্থীসকল পৰীক্ষা কেন্দ্ৰত প্ৰৱেশ কৰাৰ পূৰ্বে দুই তৰপীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে পাৰ হ'ব লাগিব। পৰীক্ষা কেন্দ্ৰসমূহৰ পৰা ১০০ মিটাৰ দূৰত্বলৈকে ১৪৪ ধাৰা জাৰি কৰা হ'ব। তদুপৰি বৈধ প্ৰৱেশ-পত্ৰ লগত থকা পৰীক্ষাৰ্থীসকলৰ বাবে অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধীনৰ বাহনসমূহত পৰীক্ষাৰ দিনটোত যাতায়ত বিনামূলীয়া হ'ব। পৰীক্ষা কেন্দ্ৰসমূহত যাতে কোনোৰে মোবাইল ফোন অবৈধভাৱে ব্যৱহাৰ কৰিব নোৱাৰে সেয়া সুনিশ্চিত কৰাৰ উদ্দেশ্যে বিশেষ ব্যৱস্থা লোৱা হ'ব। পৰীক্ষা কেন্দ্ৰসমূহ ২৪ ঘণ্টাই আৰক্ষীৰ নিৰাপত্তা বেষ্টনীৰ অধীনত থাকিব। তদুপৰি প্ৰশ্নকাকতসমূহ সামৰিক বাহিনীৰ বিষয়াৰ জৰিয়তে সৰবৰাহ কৰা হ'ব। সকলো পৰীক্ষা কেন্দ্ৰতে চিচি টিভিৰ দ্বাৰা পৰ্যবেক্ষণৰ ব্যৱস্থা কৰা হ'ব। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্যত এই সন্দৰ্ভত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি অহা হৈছে।

আনহাতে ৰাজ্যত স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে নীটৰ পুনৰ পৰীক্ষা পৰিচালনা কৰিবলৈ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালকপ্ৰধানৰ সভাপতিত্বত কালি অনুষ্ঠিত বৈঠকত ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা এন টি এৰ দ্বাৰা বিশেষভাৱে অনুমোদিত বিষয়াসকলৰ বাহিৰে পৰীক্ষাৰ্থী, নিৰীক্ষক, বিষয়া-কৰ্মচাৰীকে ধৰি সকলোৰে বাবে পৰীক্ষা কেন্দ্ৰৰ ভিতৰত ম'বাইল ফোনৰ ব্যৱহাৰ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। তদুপৰি জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলক ষ্ট্ৰং ৰূম আৰু পৰীক্ষাকেন্দ্ৰসমূহ ব্যক্তিগতভাৱে পৰিদৰ্শন কৰাৰ লগতে উত্তৰবহীসমূহ নিৰাপদে প্ৰেৰণ নকৰালৈকে সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিয়া হয়।

00000

শক্তিপীঠ কামাখ্যা ধামত অহা ২২ জুনৰ পৰা হ'বলগীয়া অম্বুবাচী মেলাৰ বাবে ৰাজ্য চৰকাৰ আৰু কামৰূপ মহানগৰ জিলা প্ৰশাসনে পূৰ্ণ গতিত প্ৰস্তুতি অব্যাহত ৰাখিছে। ৰাজ্যৰ পৰ্যটন মন্ত্ৰী অজন্তা নেওগে আজি অম্বুবাচী মেলালৈ আহিবলগীয়া ভক্তসকলৰ বাবে থকা-খোৱাৰ ব্যৱস্থা আৰু অন্যান্য প্ৰস্তুতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে পাণ্ডু জাহাজঘাট, কামাখ্যা ৰে'ল ষ্টেচন আৰু নাহৰবাৰীস্থিত আৱাস শিবিৰসমূহ পৰিদৰ্শন কৰে আৰু সংশ্লিষ্ট বিষয়াসকলক ভক্তসকলৰ সুবিধা, সুৰক্ষা আৰু সুব্যৱস্থাপনা নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। কামাখ্যা মন্দিৰৰ সমীপৰ এখন ল'জ আয়োজিত সংবাদ মেলত শ্ৰীমতী নেওগে কয় যে অম্বুবাচী মেলালৈ আহিবলগীয়া ভক্তসকলৰ বাবে কামাখ্যা ৰে'ল ষ্টেচন, পাণ্ডু বন্দৰ আৰু পাণ্ডুৰ নাহৰবাৰীত তিনিটা শিবিৰ স্থাপন কৰা হৈছে। এই শিবিৰসমূহত হেজাৰ হেজাৰ ভক্তৰ বাবে থকা-খোৱাৰ সুব্যৱস্থা কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে কামাখ্যা ধামলৈ উঠি যোৱা পথৰ ১০০ মিটাৰ দূৰে দূৰে শিবিৰ স্থাপন কৰা হৈছে। তেওঁ লগতে পথত খোৱাপানীৰো পৰ্যাপ্ত দিহা কৰা হৈছে বুলি জানিবলৈ দিয়ে।

*বাইট (অজন্তা)*

পৰ্যটন মন্ত্ৰীগৰাকীয়ে কয় যে অম্বুবাচী মেলাত ভক্তসকলৰ সুবিধাৰ্থে পথ নিৰ্দেশনাৰ সংকেত, ৰাজহুৱা ঘোষণা আদিৰ ব্যৱস্থা কৰা হৈছে। গুৱাহাটী পৌৰ নিগমে কামাখ্যা মন্দিৰ চৌহদ আৰু কাষৰীয়া এলেকাসমূহত পৰিস্কাৰ-পৰিচ্ছন্নতা বৰ্তাই ৰখাৰ বাবে অহৰ্নিশে কাম কৰি আছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে সকলো শিবিৰত জৰুৰীকালীন চিকিৎসা ব্যৱস্থাৰ লগতে পেৰামেডিকেল কৰ্মচাৰী নিয়োগৰ দিহা কৰা হৈছে। ভক্তৰ ষ্ট্ৰেচাৰ আৰু হুইল চেয়াৰৰ ব্যৱস্থা কৰা হৈছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগসকলৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে মন্দিৰলৈ উঠা-নমা প্ৰক্ৰিয়া শৃংখলাবদ্ধভাৱে হোৱাটো নিশ্চিত কৰিবলৈ প্ৰশাসনক নিৰ্দেশ দিয়া বুলি সংবাদ মেলত সদৰি কৰে। মেলাৰ সময়ত স্বেচ্ছাসেৱী সংগঠনসমূহে যোগান ধৰা খাদ্যসামগ্ৰীৰ গুণগত মান পৰীক্ষা কৰাৰ বাবে খাদ্য সুৰক্ষা বিষয়াসকলক দায়িত্ব দিয়া বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। শ্ৰীমতী নেওগে কয় যে অম্বুবাচী মেলাত জিলা প্ৰশাসন, লোক নিৰ্মাণ বিভাগ, গুৱাহাটী পৌৰ নিগম, জনস্বাস্থ্য কাৰিকৰী বিভাগ, আৰক্ষী, পৰ্যটন, স্বাস্থ্য বিভাগ আদিৰ হেল্পডেস্ক থাকিব। মেলাৰ সময়ত কোনো অসুবিধাৰ সন্মুখীন হ'লে ভক্তসকলে এই হেল্প ডেস্কৰ সহায় ল'ব পাৰিব। মন্ত্ৰী নেওগে কয় যে ২০২৪ বৰ্ষত অম্বুবাচী মেলালৈ দেশ-বিদেশৰ ৭ লাখ ৪৩ হাজাৰ ৬৬গৰাকী ভক্তৰ আগমন ঘটিছিল। যোৱা বছৰ ৭ লাখ ৮১ হাজাৰৰো অধিক ঘৰুৱা আৰু ৪৩গৰাকী বিদেশী পৰ্যটক অম্বুবাচী মেলালৈ অহা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে এইবাৰ ৮ লাখৰো অধিক ভক্তৰ আগমন ঘটিব বুলি আশা ব্যক্ত কৰে।

*বাইট (অজন্তা)*

সংবাদ মেলত ৰাজ্যৰ গৃহ, ৰাজনৈতিক তথা পৰ্যটন বিভাগৰ আয়ুক্ত সচিব দিগন্ত বৰাই অম্বুবাচী মেলাৰ সময়ত ভিৰ নিয়ন্ত্ৰণ ব্যৱস্থাৰ অংশ হিচাপে প্ৰশাসনে মেলাৰ সময় নিৰ্ধাৰণ কৰি দিয়া বুলি জানিবলৈ দিয়ে। এই অনুসৰি পুৱা ৫ বজাৰ পৰা সন্ধিয়া ৬ বজালৈহে ভক্ত বা সাধাৰণ লোক কামাখ্যা মন্দিৰলৈ যাব পাৰিব। তেওঁ লগতে মেলাৰ সময়ত চেণ্ডেল-জোতা পৰিধান কৰি কোনো লোকক মন্দিৰলৈ নাযাবলৈ আহ্বান জনায়। মেলাৰ বাবে অহা ভক্তসকলৰ বাবে মন্দিৰ পৰিচালনা সমিতিয়ে জোতা-চেণ্ডেল ৰখাৰ ব্যৱস্থা কৰিব বুলি তেওঁ জানিবলৈ দিয়ে। ইপিনে, যান-বাহন শাখাৰ উপ-আৰক্ষী আয়ুক্ত জয়ন্ত সাৰথি বৰাই সংবাদ মেলত কয় যে মেলাৰ সময়ত নাৰ্চাৰী পইণ্টৰ পৰা মন্দিৰলৈকে সকলো যান-বাহনৰ চলাচল নিষিদ্ধ থাকিব। এম্বুলেন্স, পানীৰ গাড়ী আৰু গুৱাহাটী পৌৰ নিগমৰ বাহনকে ধৰি জৰুৰীকালীন সেৱাৰ বাহনহে এই পথছোৱাৰে চলাচল কৰিব পাৰিব। পাণ্ডু বন্দৰৰ পৰা নাহৰবাৰীৰ পথেৰে প্ৰশাসনে ব্যৱস্থা কৰা ফেৰী-গাড়ী চলাচল কৰিব পাৰিব বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকাল ১২ বছৰ সম্পূৰ্ণ হোৱাৰ অংশ হিচাপে আজি ৰাজ্যিক বিজেপিৰ উদ্যোগত গুৱাহাটী মহানগৰীৰ বৰাগাঁৱৰ শ্বহীদ স্মাৰক ক্ষেত্ৰত বিশেষ প্ৰদৰ্শনী আয়োজন কৰা হয়। প্ৰদৰ্শনীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ১২ বছৰীয়া কাৰ্যকালৰ আঁচনি, উন্নয়নমূলক কামসমূহৰ সন্দৰ্ভত সবিশেষ প্ৰদৰ্শন কৰা হয়। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, সাংসদ বিজুলী কলিতা মেধি, বিধায়ক বিজয় গুপ্তাকে ধৰি ভালেমান নেতা-কৰ্মী উপস্থিত থাকে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ১২ বছৰীয়া শাসন কালৰ সফলতাক লৈ আজি পশ্চিম কাৰ্বি আংলঙৰ টুমপ্ৰেঙত আজিৰে পৰা ২১ জুনলৈ বিশেষ প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য ডি উফিং মাছলাইয়ে এই প্ৰদৰ্শনী মুকলি কৰি প্ৰধানমন্ত্ৰীগৰাকীৰ ১২ বছৰীয়া কাৰ্যকালৰ সফলতাৰ খতিয়ান দাঙি ধৰে।

মৰিগাঁও জিলাৰ কৃষি বিভাগ তথা কৃষি বিজ্ঞান কেন্দ্ৰৰ সহযোগত জিলা পুথিভৰালত এই উপলক্ষে জৈৱিক খেতিৰ সন্দৰ্ভত বিশেষ কৰ্মশালা আৰু বীজ বিতৰণ কাৰ্যসূচীৰ আয়োজন কৰা হয়। জিলা আয়ুক্ত অনামিকা তিৱাৰীয়ে অনুষ্ঠানত উপস্থিত থাকি কৃষকসকলক প্ৰাকৃতিক আৰু জৈৱিক কৃষিৰ প্ৰতি আগ্ৰহী হ'বলৈ আহ্বান জনায়। অনুষ্ঠানৰ লগত সংগতি ৰাখি ১২গৰাকীকৈ যোগ্য হিতাধিকাৰী কৃষকক শালি ধানৰ বীজ আৰু তিলৰ বীজ আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। আজিৰ অনুষ্ঠানত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ খাৰিফ বতৰৰ বীমাকৰণ প্ৰক্ৰিয়াও মুকলি কৰা হয়।

শ্ৰীভূমি জিলাৰ আকবৰপুৰত প্ৰাকৃতিক আৰু জৈৱিক কৃষি বিষয়ক এখন কৰ্মশালা আৰু প্ৰদৰ্শনীৰ আয়োজন কৰা হয়। অনুষ্ঠানত জিলা বিজেপিৰ কিষাণ মৰ্চাৰ সভাপতিগৰাকীয়ে ৰাসায়নিক সাৰৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰি প্ৰাকৃতিক আৰু জৈৱিক কৃষি পদ্ধতিত মনোনিবেশ কৰিবলৈ কৃষকসকলৰ প্ৰতি আহ্বান জনায়।

ধেমাজি পৌৰসভাৰ উদ্যোগত আৰু বিজেপিৰ ধেমাজি নগৰ মণ্ডলৰ সহযোগত আজি ১২ বছৰ বিশ্বাস, বিকাশ আৰু জনকল্যাণ শীৰ্ষক এখন সন্মিলন অনুষ্ঠিত হয়। এই কৰ্যসূচীত ভালেমান ব্যক্তি উপস্থিত থাকে।

বৰপেটা জিলাত বিজেপিৰ কৃষক মৰ্চাৰ সহযোগত আয়োজিত কাৰ্যসূচীত অসম বিধানসভাৰ অধ্যক্ষ তথা ভৱানীপুৰ-সৰভোগ সমষ্টিৰ বিধায়ক ৰঞ্জিত কুমাৰ দাস উপস্থিত থাকে। জিলা পুথিভৰাল প্ৰেক্ষাগৃহত আয়োজিত কাৰ্যসূচীত উপস্থিত থাকি শ্ৰীদাসে কয় যে ২০৪৭ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিকশিত ভাৰতৰ স্বপ্ন বাস্তৱত ৰূপায়িত কৰাৰ ক্ষেত্ৰত কৃষকসকলক বছৰত একাধিক খেতি কৰিবলৈ আহ্বান জনায়।

০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংঘালে আজি মন্ত্ৰিত্ব গ্ৰহণ কৰাৰ পাছত প্ৰথমবাৰলৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে পৰিদৰ্শন কালত চিকিৎসালয়কনৰ বিভিন্ন বিভাগ, ৰোগী সেৱা ব্যৱস্থা, আন্তঃগাঁথনি উন্নয়ন আৰু চিকিৎসাৰ বৰ্তমান উপলব্ধ সুবিধাসমূহৰ বুজ লয়। শ্ৰীসিংঘালে চিকিৎসালয়খনৰ বিভিন্ন বিভাগৰ মুৰববী অধ্যাপক, জ্যেষ্ঠ চিকিৎসক আৰু বিষয়াসকলৰ সৈতে পৰ্যালোচনামূলক বৈঠকত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে চিকিৎসকসকলক জনসেৱাৰ সৰ্বোচ্চ অগ্ৰাধিকাৰ দিবলৈ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে বিগত ১০ বছৰত মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি যথেষ্ট উন্নত হোৱা বুলি তেওঁ মতপ্ৰকাশ কৰে। সদ্যহতে হাস্পতালখনত ৩ হাজাৰ ২০০ৰো অধিক বৰ্হিৰোগ চিকিৎসা বিভাগৰ সুবিধা আছে বুলি উল্লেখ কৰি তেওঁ কয় যে বৰ্তমান গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল ৰাজ্যৰ এখন আগশাৰীৰ স্বাস্থ্যসেৱা কেন্দ্ৰত পৰিণত হৈছে। ৰাজ্যৰ অন্যান্য প্ৰান্তত চিকিৎসা ব্যৱস্থা পৰ্যায় ক্ৰমে ত্বৰান্বিত হৈ আছে বুলি উল্লেখ কৰি তেওঁ কয়, যে সমাগত দিনসমূহত এই চিকিৎসালয়খনত ৰোগীৰ সংখ্যা হ্ৰাস হ'লে গুৰুতৰ ৰোগগ্ৰস্তসকলক অধিক সুবিধা দিব পৰা যাব।

জাপানীজ এনকেফেলাইটিজ সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয়, যে এই ৰোগৰ প্ৰাদুৰ্ভাৱ অধিক হোৱা অঞ্চলসমূহত বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। জনসাধাৰণক যাৱতীয় সাৱধানতা অৱলম্বন কৰিবলৈ অনুৰোধ জনাই তেওঁ কয়, যে চৰকাৰৰ তৰফৰ পৰা জাপানীজ এনকেফেলাইটিজ নিয়ন্ত্ৰণ কৰাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। জনসাধাৰণক

সুৰক্ষিত ৰাখিবলৈ উপলব্ধ সকলো প্ৰতিষেধকৰ ব্যৱস্থা চৰকাৰে কৰি আহিছে বুলি তেওঁ মতপ্ৰকাশ কৰে। উল্লেখযোগ্য যে এই পৰিদৰ্শন কালত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ আয়ুক্ত সচিব, চিকিৎসা, শিক্ষা আৰু গৱেষণা বিভাগৰ আয়ুক্ত সচিব, জি এম চি এইচৰ অধ্যক্ষ তথা মুখ্য অধ্যক্ষ, চিকিৎসা শিক্ষা সঞ্চালক তথা অধ্যক্ষকক ধৰি কেইবাগৰাকীও বিশিষ্ট লোক উপস্থিত থাকে।

০০০০০

সমগ্ৰ শিক্ষা অসমে ২০২৬-২৭ বৰ্ষৰ বাবে ৰাজ্যৰ ৩৯ হাজাৰ ৪১৫ খন বিদ্যালয়লৈ প্ৰথম পৰ্যায়ত বাৰ্ষিক অনুদানৰ ১০ শতাংশ ধন মোকলাই দিছে। এই সন্দৰ্ভত কাৰ্যবাহী সঞ্চালক বিপুল কুমাৰ দাসে জিলাসমূহৰ মিছন সমন্বয়কলৈ প্ৰেৰণ কৰা পত্ৰত এই ধনেৰে অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ বিদ্যুৎ মাচুল পৰিশোধ কৰাক অগ্ৰাধিকাৰ দিবলৈ কোৱা হৈছে। তদুপৰি অনুদানৰ ধন স্বচ্ছতাৰ কাৰ্যসূচীৰ শিতানত খৰচ কৰাতো বাধ্যতামূলক বুলি উল্লেখ কৰা হৈছে। পত্ৰখনত স্বচ্ছতা পৰিকল্পনা আৰু নিৰ্দেশনা অনুসৰি বিদ্যালয়সমূহক অহা ২৫ জুনৰ ভিতৰত এই ধন ব্যৱহাৰ কৰিবলৈ কোৱা হৈছে।

০০০০০

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী কৌশিক ৰায়ে আজি গুৱাহাটীত বানমুক্ত কৰা উদ্দেশ্যে আয়োজিত এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ বিশেষ সচিব ছৈয়দাইন আববাচী, বিভাগটোৰ আয়ুক্ত তথা সচিব আৰু গুৱাহাটী পৌৰ উন্নয়ন প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া তথা আয়ুক্তকে ধৰি জনসম্পদ বিভাগ আৰু বিমান বন্দৰ কৰ্তৃপক্ষ, ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ, ৰে'ল বিভাগ আৰু অন্যান্য সংশ্লিষ্ট বিভাগসমূহৰ বিষয়াসকল উপস্থিত থাকে। বৈঠকত মহানগৰৰ বিভিন্ন প্ৰান্তত হোৱা বানৰ সমস্যা সমাধান কৰাৰ উদ্দেশ্যে প্ৰয়োজনীয় পদক্ষেপসমূহ আলোচনা কৰাৰ লগতে সম্প্ৰতি চলি থকা বিভিন্ন কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত কয়, যে চৰকাৰে গুৱাহাটীক বানমুক্ত কৰিবলৈ সকলো প্ৰচেষ্টা অব্যাহত ৰাখিছে।

০০০০০

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত আজি তিনিগৰাকীয়ে সাক্ষ্য প্ৰদান কৰে। বিপুল ফুকন, জিতু ফুকন আৰু  বিকাশ শইকীয়াই আজি সাক্ষ্য প্ৰদান কৰে। আজি সাক্ষীৰ বাবে আদালতে ৪ গৰাকী এজাহাৰ দাখিলকাৰীক চমন জাৰি কৰিছিল যদিও যাদৱ শইকীয়া নামৰ ব্যক্তিগৰাকী অনুপস্থিত থাকে। উল্লেখযোগ্য যে ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ পাছত এই ঘটনাৰ তদন্ত বিচাৰি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে এজাহাৰ দাখিল হৈছিল। এজাহাৰ দাখিল কৰা লোকসকলৰ যোৱা ৮ জুনৰ পৰা আদালতে সাক্ষ্য গ্ৰহণ কৰি আছে। অহা ২০ জুন পৰ্যন্ত এই লোকসকলৰ সাক্ষ্য গ্ৰহণ কৰা হব। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত মুঠ সাক্ষী হৈছে ৩৯৪ জন।

০০০০০

অসম চুক্তি ৰূপায়ণ মন্ত্ৰী অতুল বৰা প্ৰমুখ্যে ৰাজ্যৰ এটা প্ৰতিনিধি দলে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ মৰ্মে অৰুণাচলৰ ইটানগৰত ৰাজ্যখনৰ উপ মুখ্যমন্ত্ৰী চাওনা মেইন তথা অন্যান্য জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত আঞ্চলিক সহযোগিতা তথা দুয়োখন ৰাজ্যৰ উমৈহতীয়া স্বাৰ্থ জড়িত বিভিন্ন বিষয় আলোচনা কৰা হয়। এই বৈঠকৰ জৰিয়তে অসম আৰু অৰুণাচল প্ৰদেশৰ মাজৰ ভাতৃত্ববোধ তথা সহযোগিতা প্ৰতিফলিত হোৱা বুলি মন্ত্ৰী অতুল বৰাই মতপ্ৰকাশ কৰে।

০০০০০

বজালীৰ নিত্যানন্দত পশু চিকিৎসাৰ বাবে এখন বিশেষ চিকিৎসালয় নিৰ্মাণ কৰা হ'ব। বিধায়ক ৰঞ্জিত কুমাৰ দাসে আজি এই কথা সদৰী কৰি কয়, যে এই পদক্ষেপৰ জৰিয়তে নামনি অসমত শ্বেতবিপ্লৱ ত্বৰান্বিত হ'ব। ৫ কোটি ৬৬ লাখ টকাৰ ব্যয় সাপেক্ষ নিৰ্মাণ হ'বলগীয়া এই পশু চিকিৎসালয়খনত সকলো আধুনিক সা-সুবিধা উপলব্ধ হ'ব।

ooooo

ভাৰত আজি আই চি চি মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত গ্ৰুপ-এৰ নিজৰ দ্বিতীয়খন খেলত নেডাৰলেণ্ডছৰ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি লিডছৰ হেডিংলেত খন্তেক পাছতে আৰম্ভ হ'ব। টছত জিকি নেডাৰলেণ্ডছে প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈছে। ভাৰতে গ্ৰুপৰ প্ৰথম খেলত পাকিস্তানৰ মহিলা দলক পৰাস্ত কৰি শক্তিশালী আৰম্ভণি কৰিছে।

ooooo

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা চাৰে ১০ বজাত পৰ্টুগালে কংগোৰ বিৰুদ্ধে হ'বলগীয়া খেলেৰে অভিযান আৰম্ভ কৰিব। একেদৰে নিশা ডেৰ বজাত ইংলেণ্ড আৰু ক্ৰৱেছিয়াই নিজৰ প্ৰথম খেলত অংশ ল'ব।

ইপিনে, আজি পুৱা চাৰে ৯ বজাত ছান ফ্ৰান্সিস্ক'ত অনুষ্ঠিত এখন খেলত অষ্ট্ৰিয়াই জৰ্ডানক ৩ - ১ গ'লত পৰাস্ত কৰে। বিগত বৰ্ষৰ চেম্পিয়ন আৰ্জেণ্টিনাইও প্ৰতিযোগিতাত জয়েৰে অভিযান আৰম্ভ কৰিছে। পুৱা অনুষ্ঠিত গ্ৰুপ-জেৰ এখন খেলত তিনিবাৰৰ বিশ্বকাপ দখল কৰা দলটোৱে অধিনায়ক লিঅ'নেল মেচিৰ হেট্ৰিকেৰে আলজেৰিয়াক ৩-০ গ'লত পৰাস্ত কৰে।

ooooo

**সমাপ্ত**